Urbanization (নগৰীকৰণ) :-

নগৰীকৰণ বুলিলে নগৰ অঞ্চলৰ সম্প্ৰসাৰণ, তথা নগৰীয়া সা-সুবিধা বৃদ্ধি, গ্ৰামাঞ্চলৰ পৰা নগৰ অঞ্চললৈ হোৱা জন প্ৰব্ৰজন, কৃষিখণ্ডৰ পৰা উদ্যোগ আৰু সেৱাখণ্ডলৈ জীৱিকাৰ পৰিবৰ্তন আৰু তাৰ লগে লগে হোৱা জনসাধাৰণৰ আচাৰ - আচৰণৰ পৰিবৰ্তনৰ প্ৰক্ৰিয়াক বুজা যায়। উদ্যোগীকৰণ -ৰ লগে লগে গঢ়ি উঠা নগৰ অঞ্চলসমূহৰ লগতে জনসাধাৰণে গ্ৰামাঞ্চলৰ পৰা নগৰ অঞ্চললৈ গতি কৰা প্ৰক্ৰিয়াক নগৰীকৰণ বোলা হয়। নগৰীকৰণ অৰ্থনৈতিক উন্নয়নৰ এক বৈশিষ্ট্য বুলি ক'ব পাৰি। বিভিন্ন আৰ্থ - সামাজিক কাৰকৰ প্ৰভাৱত জনসাধাৰণে নগৰ অঞ্চলত থকা উদ্যোগসমূহত বা নতুনকৈ স্থাপন কৰা উদ্যোগত আৰু ইয়াৰ আনুষংগিক খণ্ডত জীৱিকা বা নিয়োগৰ সুবিধা বিচাৰি গ্ৰামাঞ্চলৰ পৰা নগৰ অঞ্চললৈ গতি কৰে। নগৰীকৰণ উদ্যোগিক উন্নয়নৰ ওপৰত নিৰ্ভৰ কৰে। উদ্যোগিক উন্নয়ন দ্ৰুত হ'লে নগৰীকৰণো দ্ৰুত হয়। নগৰীকৰণৰ এক প্ৰধান বৈশিষ্ট্য হ'ল নগৰ অঞ্চলত বসবাস কৰা লোকৰ সংখ্যা বৃদ্ধি। এনে লোকৰ সংখ্যা বৃদ্ধি হোৱাৰ

(২)

ফলত জনবসতিৰ সম্প্ৰসাৰণ হৈ নগৰীকৰণৰ সম্প্ৰসাৰণ ঘটে।

## Relationship between Urbanization and Economic Development :-

অৰ্থনৈতিক উন্নয়ন আৰু নগৰীকৰণৰ মাজত এক ওতঃপ্ৰোত সম্পৰ্ক আছে। নগৰীকৰণক অৰ্থনৈতিক উন্নয়নৰ এক সাধাৰণ বৈশিষ্ট্য বুলি কব পাৰি। অৰ্থনৈতিক উন্নয়ন দ্ৰুত হোৱাৰ লগে লগে নগৰীকৰণৰো সম্প্ৰসাৰণ ঘটে। আকৌ, নগৰীকৰণে অৰ্থনৈতিক উন্নয়নত বিভিন্ন ধৰণেৰে প্ৰভাৱ পেলায়। নগৰীকৰণ আৰু অৰ্থনৈতিক উন্নয়নৰ মাজত থকা সম্পৰ্ক তলত উল্লেখ কৰা হ'ল—

1) অৰ্থনৈতিক উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি বা ব্যৱস্থাসমূহে নগৰীয়া জনসাধাৰণৰ জনমূৰি আয় বৃদ্ধি কৰাৰ লগতে জীৱন ধাৰণৰ মানদণ্ড উন্নত হোৱাত সহায় কৰে।

২) নগৰীয়া জনসাধাৰণৰ জনমূৰি আয় বৃদ্ধি হোৱাৰ ফলত উদ্যোগিত উৎপাদিত দ্ৰব্য - সামগ্ৰী আৰু সেৱাৰ প্ৰতি চাহিদা বৃদ্ধি হয়। চাহিদা বৃদ্ধিয়ে উৎপাদন বৃদ্ধি কৰে আৰু উদ্যোগীকৰণত আৰিহণা যোগায় আৰু উন্নয়নৰ পথ মুকলি কৰে।

③

(3) নগৰীকৰণে অৰ্থনৈতিক উন্নয়নৰ বুনিয়াদী-সুবিধাসমূহ- যেনে, যাতায়ত, বিদ্যুত যোগান, পানিবহণ, গৃহ নিৰ্মাণ আদি ~~যোগান~~ সম্প্ৰসাৰণ হোৱাত সহায় কৰে।

(4) নগৰীকৰণে নিবনুৱা পৰিমাণ হ্ৰাস হোৱাত সহায় কৰে। নগৰ অঞ্চলত স্থাপিত হোৱা উদ্যোগ বা ~~ব্যৱসায়িক~~ ব্যৱসায়ত নিয়োজিত হোৱাৰ উদ্দেশ্য গাঁৱৰ পৰা জনসাধাৰণ নগৰলৈ গতি কৰে। ই গ্ৰামাঞ্চলত উদ্ভৱ হোৱা ছদ্মবেশী-নিবনুৱা হ্ৰাস কৰে।

নগৰীকৰণে অৰ্থনৈতিক উন্নয়নত সহায় কৰে যদিও ইয়াৰ কিছুমান কু-প্ৰভাৱ দেখিবলৈ পোৱা যায়। যেনে —

i) নগৰীকৰণে নিবনুৱাৰ পৰিমাণ যথোপযুক্তভাৱে হ্ৰাস কৰিব পৰা নাই। বৰ্দ্ধিত-নিবনুৱাৰ তুলনাত নিয়োগৰ সুবিধা কম হোৱাৰ বাবে চোৰ, ডকাইত, ঠগ, প্ৰৱঞ্চক আদিৰ দৰে সামাজিক সমস্যা বৃদ্ধি পায়। ফলত চৰকাৰৰ প্ৰতিৰক্ষামূলক ব্যয় বৃদ্ধি পায়।

ii) নগৰীকৰণে বস্তি অঞ্চলৰ জনসংখ্যা বৃদ্ধি কৰে। এই ~~সম~~ অঞ্চলসমূহত বিভিন্ন সমস্যা দেখিবলৈ পোৱা যায়।

তদুপৰি বস্তি অঞ্চলসমূহ লেতেৰা হোৱাৰ বাবে পাৰিপাৰ্শ্বিক অৱনতিৰ কাৰণ হৈছে পাৰে।

iii) নগৰীকৰণৰ ফলত জনসংখ্যা বৃদ্ধি হোৱাৰ কাৰণে যাতায়ত, গৃহ নিৰ্মাণ, পানী যোগান আদিৰ ক্ষেত্ৰতো বিভিন্ন সমস্যা সৃষ্টি হোৱা দেখা যায়।

শেষতকৈ, দেখা গ'ল যে নগৰীকৰণে অৰ্থনৈতিক উন্নয়নত সহায় কৰে যদিও ইয়াৰ কিছুমান কুপ্ৰভাৱ দেখিবলৈ পোৱা যায়। এই কুপ্ৰভাৱ সমূহ দূৰ কৰিবলৈ চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত।

— x —

## urbanization:

Urbanisation refers to the process of becoming urban, moving to cities and towns, changing from agriculture to other sector such as trade, manufacturing industry and management and corresponding changes of behaviour patterns. In other words, urbanization refers to the population shift from rural areas to urban areas along with the growth of some industrialised urban centres. Urbanization is one of the common characteristics of economic development of a country. Due to various socio-economic factors, people from rural areas started to move towards urban areas in search of job or livelihood, where newly established or existing industries and ancillary activities offer job or employment opportunities to those people migrating to urban areas. - The pace of urbanisation depends on industrial growth.

The pace of urbanization becomes faster if industrial growth is faster. The pace of urbanisation gradually declines only when the proportion of urban population to total population of the country becomes too high.

<u>Relationship between Urbanization and Economic Development</u>:-

Urbanization and Economic Development are clasely associated. Urbanization is one of the common characteristics of economic development. The attain-ment of high rate of economic develop-ment paves the way for growing urbanization. On the other hand urbanisation impacts economic develop-ment in different way. The relation-ship between urbanization and economic development ~~are~~ is explained below—

1) Economic development of a country indicates the increase in the level of per capita income and standard of living of the people. Economic

development and growing industrialisation paves the way for rapid urbanization.

II) Increase in the rate of economic development ~~so~~ raises the per capita income of the people which in turn increases the demand for various goods and services in the economy. Increase in aggregate demand expands the production of ~~the~~ goods and services. It also helps in industrialisation. All these lead to increase in the pace of urbanisation.

III) Urbanisation leads to the expansion and development of basic infrastructural facilities such as transportation, supply of electricity, housing facility etc. which ~~are~~ helps in economic development.

iv) Due to urbanisation, some areas emerged as a large urbanised centre with large scale industrial and trading activities. These areas started to offer large number of employment opportunities leading to a shift of population from rural to urban areas.

Though urbanisation impacts economic development in positive way, it has ~~also~~ some negative impact too.

1) Higher degree of urbanisation cannot reduce the degree of unemployment in India and particularly in a state like Assam. Due to the limited employment opportunities in comparison to the growing labour force in urban areas, there exists unemployment problem which also leads to the creation of socio-economic problems such as robbery, smuggling and other anti-social activities in the society.

II) Urbanization also leads to the growth of slums, congestion and pollution.

III) Urbanization also leads to the huge concentration of population in urban areas, resulting in various problems of trans transportation, housing, water supply, health services, poverty etc.

Thus, it is seen that urbanization ~~and~~ helps in economic development. But it has some negative impact too. Therefore, government should take appropriate measures to remove these problems.